# পেলেষ্টাইনত গঠিত হোৱা ঐক্য চৰকাৰৰ সম্বন্ধিত সাংবাদিকৰ এক প্ৰশ্নৰ সন্দৰ্ভত আনুষ্ঠানিক মুখপাত্ৰৰ সহাৰি ।

জুন ০৩, ২০১৪

পেলেষ্টাইনত গঠিত হোৱা ঐক্য চৰকাৰৰ সম্বন্ধিত সাংবাদিকৰ এক প্ৰশ্নৰ সহাৰি দি আনুষ্ঠানিক মুখপাত্ৰ গৰাকীয়ে কয় যে :

“ প্ৰধানমন্ত্ৰী ৰামী হামদাল্লাহৰ নেতৃত্বত ২ জুন ২০১৪ তাৰিখে ফাটাহ আৰু হামাছৰ দ্বাৰা গঠন হোৱা ঐক্য চৰকাৰৰ বাবে ভাৰতৰ সমৰ্থন আছে । ৱেষ্ট বেংক আৰু গাজাৰ মাজত পুনৰ একত্ৰিত হোৱাৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত ভাৰতৰ সমৰ্থনৰ যি স্থিতি সেই অনুসৰি এক স্থিৰ পেলেষ্টাইনৰ বাবে একতাৰ চৰকাৰক ভাৰতে সমৰ্থন কৰে ।

একেসময়তে  ইজৰাইল্ৰ সৈতে পেলেষ্টাইনৰ শান্তি প্ৰক্ৰিয়া স্থাপনৰ বাবে কৰা ঐক্য চৰকাৰৰ প্ৰতিশ্ৰুতিৰ প্ৰতি দৃষ্টি ৰাখিছে ভাৰতে । দুয়োপক্ষৰ বাবে গ্ৰহন যোগ্য এক ৰাজনৈতিক সমস্যা সমাধানৰ লক্ষ্যৰে অতি সোনকালে দুয়োদেশৰ মাজত গাঠনিক আৰু ইতিবাচক ধাউতিৰে দুয়োদেশৰ মাজত আলোচনা আৰম্ভ হব বুলি আশা কৰা হৈছে ।

পেলেষ্টাইন আৰু ইজৰাইলৰ মাজত শান্তিপূৰ্ণ আৰু আলোচনাৰ জৰি্য়তে সম্পন্ন হোৱা সাৰ্ব্বোভৌম,স্বাধীন,স্থিৰ আৰু পূব্ৰ জেৰুজালেমক ৰাজধানী হিচাপে লৈ গঠিত হোৱা একত্ৰিত পেলেষ্টাইনৰ বাবে ভাৰতে সদায়েই সমৰ্থন আগবঢ়াই  আহিছে । দুয়োখন দেশ কাষে কাষে নিৰ্বাহ কৰি সুৰক্ষিত আৰু স্বিকৃতি প্ৰাপ্ত শান্তিময় ইজৰাইল থকাটো ভাৰতে সদায়েই সমৰ্থন কৰি আহিছে ।”